# ষ্টিফান, আত্মাৰে পৰিপূৰ্ণ এজন ব্যক্তি

আমাক সলনি আৰু পৰিচালনা কৰিবলৈ পৱিত্ৰ আত্মাক দিয়ক

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন H5b পঢ়া উচিত।



**প্ৰাৰ্থনা ঃ** আপোনাৰ মন নতুন কৰিবলৈ আৰু খ্ৰীষ্টৰ নিচিনা হোৱাত পৱিত্ৰ আত্মাৰ ওচৰত প্ৰাৰ্থনা কৰক।

**পট কথা ঃ** যোহন ১৪-১৬, যীচুৱে কৈছে যে তেওঁ স্বৰ্গলৈ উলটি যাব আৰু তেওঁৰ ঠাইত আন এজন সহায়কৰ্ত্তা পঠিয়াব। যীচুৰ দৰে পৱিত্ৰ আত্মাৰ পাৰ্থিৱ শৰীৰ নাই। তেওঁ আমাত বাস কৰে (১ কৰিন্থীয়া ৬ঃ১৯ আৰু যোহন ১৪ঃ১৭)। তেওঁ ক'ত আছে? আপোনাতক তেওঁৰ আপোনাক পৰিচালনা কৰে। আনক শিকাওঁতে তেওঁ আপোনাক সহায় কৰে। কোনটো শুদ্ধ আৰু কোনটো ভুল সেইয়া তেওঁ আপোনাক দেখুৱাব। (যোহন ১৬ঃ৮-১৩)।

**১। পৱিত্ৰ আত্মাই আমাত কাম কৰিবলৈ ষ্টিফানৰ পৰা শিকক।**

**পাঁচনিৰ কৰ্ম্ম ৬ঃ১-৭** যিৰূচালেমৰ লোকসমূহৰ মাজত ষ্টিফানৰ কি কাম আছিল?

**পাঁচনিৰ কৰ্ম্ম ৬ঃ৩** এই কামৰ বাবে তেওঁলোকে কেনে ধৰণৰ মানুহ বাচি লৈছিল?

**পাঁচনিৰ কৰ্ম্ম ৬ঃ৮-১৬** ষ্টিফানৰ বিৰুদ্ধে কেনে ধৰণৰ লোকবিলাকে সাক্ষ্য দিছিল?

ষ্টিফানৰ শিক্ষাত ইস্ৰায়েলৰ ইতিহাসৰ গতি অনুসৰণ কৰক, **পাঁচনিৰ কৰ্ম্ম ৭।**

**পাঁচনিৰ কৰ্ম্ম ৭ঃ৫৭-৫৯** চলাওঁতাবিলাকে ষ্টিফানৰ কথাত কি দৰে কাৰ্য্য কৰিছিল?

**পাঁচনিৰ কৰ্ম্ম ৭ঃ৬০** তেওঁলোকৰ খং আৰু অত্যাচাৰত ষ্টিফানে কেনেদৰে প্ৰতিঘাত কৰিছিল?

খ্ৰিষ্টত বিশ্বাস কৰা সকলৰ নিমিত্তে পৱিত্ৰ আত্মাই কৰা ৮ টা বিষয়বোৰ চাওক ঃ

১। **যোহন ১৪ঃ২৬**, তেওঁ আমাক বুজিবলৈ কেনেকৈ সহায় কৰে।

২। **যোহন ১৬ঃ৮**, আমাৰ বিষয়ে তেওঁ আমাক কি দেখুৱায়।

৩। **পাঁচনিৰ কৰ্ম্ম ১ঃ৮**, কি কৰিবলৈ তেওঁ আমাক ক্ষমতা দিয়ে।

৪। **ৰোমীয়া ৮ঃ১১-১৪**, তেওঁ আমাৰ বাবে কি কৰে।

৫। **ৰোমীয়া ৮ঃ১৫-১৭**, কি আশ্বাস তেওঁ আমাক দিয়ে।

৬। **ইফিচীয়া ১ঃ১৩-১৪**, আমাৰ অনন্তকলীয়া পৰিত্ৰাণৰ নিশ্চয়তা তেওঁ কেনেকৈ দিয়ে।

৭। **১ কৰিন্থীয়া ১২ঃ১-১২**, পৰিচৰ্য্যা কৰিবলৈ আমাক কেনেকৈ তেওঁ প্ৰস্তুত কৰে।

৮। **১ কৰিন্থীয়া ১২ঃ১৩**, অনন্তকালৰ নিমিত্তে তেওঁ আমাক ক'ত থয়।

*(উত্তৰ ঃ*

*১। পৱিত্ৰ আত্মাই আমাক সকলো কথা শিকায়।*

*২। তেওঁ আমাক আমাৰ পাপবোৰৰ প্ৰত্যয় নিয়ায়।*

*৩। খ্ৰীষ্টৰ হকে ফলদায়ক ৰূপে সাক্ষ্য বোৱাত, তেওঁ আমাক ক্ষমতা দিয়ে।*

*৪। তেওঁ আমাৰ নতুন, পৱিত্ৰ জীৱন দিয়ে।*

*৫। ঈশ্বৰৰ সন্তান হোৱা আৰু খ্ৰীষ্টে সৈতে ঈশ্বৰৰ উত্তৰাধিকাৰী হোৱাৰ নিশ্চয়তা তেওঁ আমাক দিছে।*

*৬। ঈশ্বৰৰ উত্তৰাধিকাৰৰ বইনাস্বৰূপে তেওঁ আমাক মোহৰ মাৰিলে।*

*৭। তেওঁ আমাক বিশ্বজনীন খ্ৰীষ্টৰ শৰীৰ স্বৰূপে অভিষিক্ত কৰিছে।*

*৮। শৰীৰৰ উন্নতি সাধন কৰিবলৈ তেওঁ আমাক বিভিন্ন আত্মিক বৰবোৰ দান দিছে।)*

## ২। পিছৰ সপ্তাহত বিশ্বাসীসকলে কি কৰিব সহ-কৰ্ম্মীবিলাকৰ লগত আঁচনি কৰক

- পৱিত্ৰ আত্মা নোপোৱা বিশ্বাসীসকলক পৰিদৰ্শন কৰক। তেওঁলোকে যেন পৱিত্ৰ আত্মা পায় তাৰ বাবে প্ৰাৰ্থনা কৰক আৰু তেওঁলোককো প্ৰাৰ্থনা কৰিবলৈ কওক।
- পৱিত্ৰ আত্মাৰ সম্পৰ্কে এতিয়াও বুজি নোপোৱা জনক ওপৰত উল্লেখ কৰা আঠটা বিষয়, ভালদৰে বুজাই দিয়ক।

## ৩। উপাসনা সময়ৰ নিমিত্তে সহ-কৰ্ম্মীসকলৰ লগত আলোচনা কৰক

স্থানীয় দস্তুৰ আৰু প্ৰয়োজনীয়তা আনুযায়ী কামবোৰ কৰক।

পৱিত্ৰ আত্মাই আমাক পৰিবৰ্ত্তন কৰিবলৈ আৰু আমাক বিশ্বাসী কৰ্ম্মী হ'বলৈ উপাসনাৰ সময়ত প্ৰাৰ্থনা কৰক।

যোৱা সপ্তাহত সুস্থ হোৱা লোকবিলাকে পৱিত্ৰ আত্মা পোৱা আৰু ঈশ্বৰৰ গৌৰৱৰ কাৰণে তেওঁৰ প্ৰশংসা কৰক।

আত্মাৰ ফলবোৰৰ বিষয়ে কওক অথবা গীত গান কৰক। পৱিত্ৰ আত্মাই আমাত উৎপন্ন কৰিব পৰা পৱিত্ৰতাৰ ৯টা গুণৰ এখন তালিকাৰে এটি কবিতা লিখিবলৈ কোনো জন ইচ্ছুক ব্যক্তিক কওক। গালাতীয়া ৫ঃ২২-২৩ ইয়াৰ তালিকা পোৱা যায়। বিশ্বাসীসকলে গাব পৰাকৈ কোনোজনে এটি সাধাৰণ সুৰ দিব পাৰে।

স্তিফানৰ গল্পটি কওক। পিছত ল'ৰা-ছোৱালীয়ে ইয়াৰ নাটক কৰিব পাৰে।

পাঁচনিৰকৰ্ম্ম ৬ আৰু ৭ অধ্যায়ত পোৱা ( ১ম ভাগৰ পৰা) বিষয়বোৰ সম্পৰ্কে বিশ্বাসীসকলক প্ৰশ্ন সোধক।

আমাৰ অন্তৰ পৱিত্ৰ আত্মাই কি দৰে সলনি কৰিব পাৰে স্পষ্টকৈ বুজাই দিয়ক। দুজন বয়সীয়া লোকৰ এজনক বিচাৰোঁতা আৰু দুৱাৰ ৰখীয়া হ'বলৈ কওক। বিচাৰোঁতা জনে তেওঁৰ চাৰ্টৰ সন্মুখৰ ফালে এটা সাপৰ নক্সা আঁকি লবলৈ কওক। (তলত দিয়া ছবিটি আঁকক আৰু কাগজখন হৃদয়ৰ আকাৰত কাটি লওক।



**দুৱাৰ ৰখীয়াজনে** (এফালে থিয় হৈ বৰ মাতেৰে কওক)

**বিচাৰোঁতা ঃ** দুৱাৰ ৰখীয়া জনৰ ফাললৈ খোজ লওক। সকলোকে সাপৰ ছবিখন দেখুৱাওক। ডাঙৰ মাতেৰে কওক, "হে দুৱাৰ ৰখীয়া, অনুগ্ৰহ কৰি মোক স্বৰ্গৰাজ্যত সোমাবলৈ দিয়ক"।

**দুৱাৰ ৰখীয়া ঃ** "হেৰা বিচাৰোঁতাজন, তুমি সেই দুষ্ট বস্তুটো তোমাৰ অন্তৰত লৈ সোমাব নোৱাৰা"।

**বিচাৰোঁতা ঃ** "কিন্তু মই কেনেকৈ মোৰ অন্তৰৰ পৰা পাপ আঁতৰ কৰিব পাৰিম?"

**দুৱাৰ ৰখীয়া ঃ** (১ম যোহন ১ঃ ৭-৯ বৰ মাতেৰে পঢ়ক)

**বিচাৰোঁতা ঃ** "মই মোৰ পাপ স্বীকাৰ কৰি যীচুৰ ওচৰত ক্ষমা খুজিছোঁ। (সাপটোলৈ আঙুলিয়াওক)" কিন্তু মোৰ ভিতৰত থকা এই কুৎসিত বস্তুটো মই কেনেকৈ উলিয়াম?"

**দুৱাৰ ৰখীয়া ঃ** "তোমাৰ পাপবোৰ ক্ষমা হলেও, তুমি স্বৰ্গৰাজ্যত সোমাবলৈ নোৱাৰা কাৰণ তুমি, পুৰণি সাপ, চয়তানক অনুসৰণ কৰিবলৈ ইচ্ছা কৰা। দুষ্টতাৰ ভাবকো আনকি ঈশ্বৰে স্বৰ্গত অনুমতি নিদিয়ে। পৱিত্ৰ আত্মাক আপোনাৰ অন্তৰ সলনি কৰিবলৈ দিয়া উচিত। (গালাতীয়া ৫ঃ১৬-২৪)

**বিচাৰোঁতা ঃ** "দুৱৰী, তেওঁৰ তেজেৰে মোক পৰিষ্কাৰ কৰিবলৈ মই যীচুক কৈছিলোঁ। মোৰ পুৰণি পাপময় স্বভাৱক ক্ৰুচবিদ্ধ কৰিবলৈ এতিয়া পৱিত্ৰ আত্মাই মোক সহায় কৰিছে। (সাপৰ ছবিখন দলিয়াই পেলাওক)

**দুৱৰীঃ** "স্বৰ্গ ৰাজ্যত প্ৰৱেশ কৰক"

যোহন ১৪ঃ১৫-১৬ সকলোৰে একেলগে মুখস্থ কৰক।

স্তিফানক লৈ প্ৰস্তুত কৰা নাটকখন ল'ৰা-ছোৱালীক দেখুৱাবলৈ কওক আৰু সিহঁতে প্ৰস্তুত কৰা প্ৰশ্নবোৰ সোধক।

পৱিত্ৰ আত্মাই আমাৰ বাবে কৰা আঠোটা বিষয়ৰ তালিকাখনৰ আলোচনা কৰক। (১ম ভাগৰ পৰা)

তেওঁৰ মৃত্যুৰ আগনিশা যীচুৱে তেওঁৰ শিষ্যবিলাকক এৰি যাব বুলি কোৱা কথা বহলাই কওক। "আপুনি আটাইতকৈ ভাল পোৱা ব্যক্তিজন আঁতৰি গ'লে আপুনি কেনে অনুভৱ কৰিব?"- প্ৰশ্ন কৰক।

পৱিত্ৰ আত্মাৰ লগত যীচুৰ সাদৃশ্যৰ বৰ্ণনা কৰক। যোহন ১৪ঃ১৫-১৭ পঢ়ক।

- শিষ্যবিলাকক অকলে এৰি নাযায় বুলি যীচুৱে কৈছিল। তেওঁ তেওঁলোকলৈ সহায়কৰ্ত্তা পঠিয়াব বুলি কৈছিল।
- যীচুৱে প্ৰতিজ্ঞা কৰিছিল, "মই তোমালোকক অনাথকৈ এৰি নাযাওঁ; তোমালোকৰ ওচৰলৈ আহিম"। (যোহন ১৪ঃ১৮)।
- যোহন ১৬ঃ১৩-১৫ পঢ়ক। যীচুৱে কৈছিল, "মই আৰু মোৰ পিতৃ এক" (যোহন ১০ঃ৩০)। "মই আৰু পৱিত্ৰ আত্মা একে"- বুলিও তেওঁ ক'ব পাৰিলেহেঁতেন। পিতৃ ঈশ্বৰ, পুত্ৰ আৰু পৱিত্ৰ আত্মা ঈশ্বৰ, যদও পৃথক ব্যক্তি, আচল অৰ্থত এক ঈশ্বৰ, ত্ৰিতত্ত্বত একত্ৰিত।

প্ৰভুৰ ভোজ স্থাপন কৰাত, পুৰণি নিয়মৰ পুৰোহিত সকলে কেনেকৈ সেই মেজৰ ওপৰত পৱিত্ৰ পিঠা ৰাখিছিল, বৰ্ণনা কৰক (যাত্ৰাপুস্তক ২৬ঃ৩০)। এতিয়া আমি ঈশ্বৰৰ সন্মুখত পিঠা খাম আৰু ঈশ্বৰৰ মেৰ পোৱালীৰ বিবাহত স্বৰ্গত আমি পুনৰ ইয়াকে কৰিম।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net